
समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation








দশম শ্ৰেণীৰ বাবে

ইতিহাস

পাঠ - ৫

ভাৰত আৰু উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্য

অংশ – ৮

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। ভাৰতৰ সাংস্কৃতিক বহুত্ববাদৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সাংস্কৃতিক বহুত্ববাদে কোনো এখন সমাজৰ সাংস্কৃতিক বিবিধতা আৰু ইয়াৰ প্ৰতি থকা শ্ৰদ্ধাৰ মনোভাৱক বুজায়। ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন জাতি-উপজাতিয়ে তেওঁলোকৰ পৃথক পৃথক স্বকীয় কৃষ্টি সংস্কৃতিৰ সংৰক্ষণ তথা সংবৰ্ধন কৰিব বিচৰাৰ সময়তে আনৰ কৃষ্টি-সংস্কৃতিৰ সৈতে সহবৰ্তিতা আৰু সন্মানৰ মনোভাৱ পোষণ কৰা যায়। ভাৰতৰ ভাষিক, ধৰ্মীয়, ভৌগোলিক আৰু আৰ্থিক আদি অনেক ক্ষেত্ৰত অনেক বিবিধতা থকাৰ সত্ত্বেও ভাৰতীয়সকলে এক ঐক্যৱদ্ধ অনুভূতিৰে সাঙোৰ খাই থকা দেখা যায়। এই আত্মীয়তা সৃষ্টি কৰাৰ ক্ষেত্ৰত বিভিন্ন কাৰকে ক্ৰিয়া কৰি আহিছে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

হিন্দুধর্মৰ স্বকীয় বহুত্ববাদীতা তথা উদাৰতা, বিভিন্ন সময়ত গঢ়ি উঠা সাম্ৰাজ্যসমূহে সৃষ্টি কৰা ৰাজনৈতিক একতাৰ ইতিহাস, বিভিন্ন যুগৰ শাসকসকলৰ ধৰ্মীয় তথা সাংস্কৃতিক উদাৰতাই ইয়াত অৰিহণা যোগাই আহিছে। ৰামায়ণ আৰু মহাভাৰত গ্ৰন্থ দুখনে ভাৰতৰ বিভিন্ন প্ৰান্তৰ মূল সাংস্কৃতিক সুঁতিৰ লগত সাঙুৰি সৃষ্টি কৰা এক সাংস্কৃতিক পৰিয়ালৰ অনুভূতি আদিয়ে এই ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এইবোৰৰ উপৰিও এক বিশেষ সাংস্কৃতিক যোগাযোগৰ দ্বাৰা দেশখনৰ প্ৰতিটো গোট পৰস্পৰ বন্ধনযুক্ত হৈ থকা দেখা যায়। দুটা গোট যদি আঞ্চলিকভাৱে বিচ্ছিন্ন তেওঁলোক হয়তো ভাষিক বা ধৰ্মীয়ভাৱে ঐক্যৱদ্ধ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। 'ভাৰতৰ প্ৰাচীন যুগত ৰচিত সংস্কৃত সাহিত্যৰাজিত ভাৰতীয় সভ্যতা-সংস্কৃতিৰ আত্মা নিহিত হৈ আছে বুলি ক'লে সম্ভৱতঃ অতিৰঞ্জিত কৰা নহ'ব'- বাক্যশাৰীৰ ভাবাৰ্থ আলোচনা কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ প্ৰাচীন যুগত ৰচিত সংস্কৃত সাহিত্যৰাজি ভাৰতীয় সভ্যতা-সংস্কৃতিৰ আত্মা নিহিত হৈ আছে বুলি ক'লে সম্ভৱতঃ অতিৰঞ্জিত কৰা নহ'ব'- কথাষাৰ সত্য। বেদৰ সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আদি উপনিষদসমূহ, ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহাকাব্য, গীতা, পুৰাণ, বেদাংগসমূহ (জ্যোতিষ, ব্যাকৰণ, ছন্দ, নিৰুক্ত, কল্প আৰু শিক্ষা); ৰাজনীতি বিষয়ক গ্ৰন্থ; কৌটিল্যৰ অৰ্থশাস্ত্ৰ; চিকিৎসা বিষয়ক চৰক সংহিতা, সুশ্ৰুত সংহিতা; কালিদাস, শুদ্ৰক, বাণভট্ট আদি লিখকৰ বিশুদ্ধ সাহিত্যৰাজী ভাৰতীয় সাহিত্যৰ উজ্বল নিদৰ্শন।

কপিল, পতঞ্জলি, ৰামানুজ, মাধবাচার্য আদি দার্শনিকৰ দর্শন গ্রন্থসমূহ; বুৰঞ্জীমুলক গ্রন্থ কলহনৰ ৰাজতৰংগিনী; আর্যভট্ট, ববাহমিহিৰ, ব্রহ্মগুপ্ত, প্রথম আৰু দ্বিতীয় ভাস্কৰাচার্য আৰু মহর্ষি ভৰদ্বাজ আদি বিজ্ঞানীৰ বিভিন্ন গ্রন্থ, দক্ষিণ ভাৰতৰ সংগম সাহিত্য আদি গ্রন্থৰাজিয়ে ভাৰতীয় লোকৰ সাহিত্যৰুচি আৰু জ্ঞান পিপাসাৰ পৰিচয় দিয়ে।

উপৰুক্ত ৰচনাৰাজিয়ে জীৱন আৰু জগতৰ সম্পর্কে দৃষ্টিভংগী, ধর্ম বিশ্বাস, বিজ্ঞান মানসিকতা, কাৰিকৰী জ্ঞান, ৰাজনীতি, চিকিৎসা আদি বিস্তৃত ক্ষেত্রত প্রাচীন কালত ভাৰতীয়সকলে আহৰণ কৰা জ্ঞানৰ স্তৰকো প্রতিফলিত কৰে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

এই গ্রন্থসমূহে ভাৰতীয়সকলৰ সমাজব্যৱস্থা, মনস্তত্ত্ব, সাহিত্য চেতনা, সর্বভাৰতীয় সাংস্কৃতিক ঐক্যবোধ গঢ়ি তোলাৰ ক্ষেত্রত গভীৰ প্রভাৱ পেলাইছিল।

হিন্দুধর্মৰ চাৰি বর্ণাশ্রম ব্যৱস্থা, পিতৃ, মাতৃ, গুৰু, অতিথি বিদ্যা আৰু বিদ্বানৰ প্রতি ভাৰতীয় সংস্কৃতিত থকা শ্রদ্ধাৰ শিক্ষা এই গ্রন্থ ৰাজীয়ে প্রসাৰ কৰিছিল। জন্মান্তৰবাদ, অৱতাৰবাদ, মোক্ষ, স্বর্গ, নৰক, পাপ-পুণ্য আদিৰ ধাৰণাও এই গ্রন্থসমূহে জনপ্রিয় কৰি তুলিছিল। গ্রন্থসমূহত উল্লেখ থকা ‘সত্যমেৱ জয়তে’ (মুণ্ডক উপনিষদ), ‘অহিংসা পৰম ধর্ম’ (মহাভাৰত),‘জননী জন্মভূমিশ্চ স্বর্গাদপি

গৰিয়সী' (ৰামায়ন), 'বসুধৈৱ কটুম্বকম' (মহোপনিষদ) আদি আমোঘ বাণীয়ে ভাৰতীয় মূল্যবোধৰ ভেটি ৰচনা কৰিছিল। অসত্যৰ বিপৰীতে সত্যৰ প্ৰতি, অজ্ঞান আন্ধাৰৰ বিপৰীতে জ্ঞানৰ প্ৰতি, জড়তাৰ বিপৰীতে চেতনা লৈ নিয়াৰ প্ৰাৰ্থনা- 'অসতো মা সদগময়, তমসোমা জ্যোতিগময়, মৃত্যুৰ্মা অমৃতগময়' আদি আমোঘ বাণীয়ে ভাৰতীয় মনস্তত্ত্বক প্ৰেৰণা যোগায় আহিছে।

সংস্কৃত ভাষাত ৰচিত গ্ৰন্থৰাজী পৰবৰ্তী সময়ত ভাৰতৰ বিভিন্ন প্ৰান্তীয় ভাষালৈ অনুবাদ হৈছে। ইয়াৰ বহু কথা পৰিয়ালসমূহত বংশানুক্ৰমে, মৌখিকভাৱে, সমূহীয়া নাম কীৰ্তনৰূপে বা সামাজিক ৰীতি নীতি হিচাপে প্ৰৱাহমান হৈ আছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। ভাৰতৰ ধৰ্মীয় ঐতিহ্যৰ বিষয়ে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ ধৰ্মীয় পৰম্পৰা অতি প্ৰাচীন। এই পৰম্পৰাই নতুন নতুন বিশ্বাস, ৰীতি নীতিৰ ক্ষেত্ৰত সহবৰ্তিতা, সংযোজন আৰু সংমিশ্ৰণৰ ক্ষেত্ৰত এক উদাৰ নীতি গ্ৰহণ কৰি আহিছে।ইয়াৰ লগতে স্বকীয় নীতিৰ সংস্কাৰ, সংশোধন, নতুন বাখ্যা আৰু বিৰোধৰ প্ৰতিও শ্ৰদ্ধাৰ ভাৱ ৰাখিছিল। এনে দৃষ্টিভংগীৰ বাবেই ভাৰতত কেইবাটাও তত্বগতভাৱে পৰস্পৰ বিৰোধী দৰ্শন সবলৰূপত বিকশিত হৈছিল আৰু বেদৰ কেতবোৰ মূল তত্বৰ বিৰোধিতা কৰা সত্বেও খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত আত্মপ্ৰকাশ কৰা বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্মৰ সৈতে বৈদিক হিন্দুধৰ্মৰ কোনো সংঘাত হোৱা নাছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

একেটা কাৰণতেই হিন্দুধর্মৰ ভিতৰতেই অনেক পন্থাৰ উদ্ভৱ হৈছিল । পৰবর্তী কালত বিভিন্ন ৰাজবংশই ধর্মীয় উদাৰতাৰ নীতিটো অনুসৰণ তথা পৃষ্ঠপোষকতা কৰা দেখা যায় ।এই ক্ষেত্রত খ্রীষ্টপূর্ব তৃতীয় শতিকাতেই সম্রাট অশোকৰ গির্ণাৰত থকা ১২ নং বৃহৎশিলালেখ খনত এটা টোকা উল্লেখ কৰা কৰিব পাৰি। এই লিপিত কোৱা হৈছে কোনেও একমাত্র নিজৰ ধর্মটোকে প্রশংসা কৰি আনৰ ধর্মক হীন বুলিব নালাগে । বৰং সকলো ধর্মৰ সাৰ গ্রহণ কৰি সম্বন্বয়ৰ বাট মুকলি কৰিব লাগে বুলি কৰা সম্রাট অশোকৰ এই ঘোষণাই ভাৰতীয় শাসকসকলৰ ধর্মীয় উদাৰতাৰ প্রাচীনতম সাক্ষী বহন কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

পৰবৰ্তী সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তত উদ্ভৱ হোৱা খ্ৰীষ্টীয়ান, ইছলাম, জোৰষ্ট্ৰাৰ,ইহুদী আদি ধৰ্মৰো ভাৰতলৈ আগমন ঘটিছিল। শাস্ত্ৰ নিৰ্ভৰ ধৰ্মবোৰৰ উপৰি ভাৰতৰ চুকে কোণে বিভিন্ন বিশ্বাস তথা ৰীতি নীতিৰ ভিত্তিত সৃষ্টি হোৱা জনজাতীয় ধৰ্মবোৰো ভাৰতবৰ্ষত শান্তিপূৰ্ণ সহৱস্থান কৰি থকা দেখা যায়।

৪। উত্তৰ-পূৰ্বাঞ্চলৰ এক উমৈহতীয়া সুকীয়া পৰিচয় কেনেকৈ সৃষ্টি হৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- উত্তৰ-পূৰ্বাঞ্চল শব্দটো বিট্ৰিছ শাসকসকলে উদ্ভাৱন কৰিছিল । এই শব্দটোৱে সামৰি লোৱা অঞ্চলবোৰ হৈছে- অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় (পৰৱৰ্তী সময়ত ছিক্কিম ও ইয়াত অন্তৰ্ভুক্ত হয়)। প্ৰত্যেকৰে নিজা নিজা কৃষ্টি সংস্কৃতি আৰু ৰাজনৈতিক ইতিহাস আছে। এই সমগ্ৰ অঞ্চলটোৰ কেতবোৰ উমৈহতীয়া বৈশিষ্ট্যৰ বাবে অঞ্চলটোৱে এক সুকীয়া পৰিচয় লাভ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ এক উমৈহতীয়া সুকীয়া পৰিচয় সৃষ্টি হোৱাৰ ক্ষেত্ৰত অঞ্চলটোৰ ভৌগোলিক পৰিস্থিতিয়ে বিশেষ সহায় কৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যই পাহাৰীয়া। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ উপত্যকাই সৃষ্টি কৰা সমতল অংশ মাজভাগত লৈ অসমখনক উত্তৰ, পূৰ আৰু দক্ষিণ দিশত আন ৰাজ্যকেইখনে আৱৰি আছে। ঠিক তেনেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ কেইখন ৰাজ্যকেইখন বাংলাদেশ, ভূটান ম্যানমাৰ আদি বিদেশী ৰাষ্ট্ৰই আগুৰি আছে।


অসমকে ধৰি সমগ্ৰ অঞ্চলটোৰ অধিকাংশ লোকেই বৃহত্তৰ মংগোলীয় জনগোষ্ঠীৰ বিভিন্ন শাখা প্ৰশাখাৰ অন্তৰ্গত জনজাতীয় লোক। নগাসকলৰ একাংশৰ মাজত নিগ্ৰো নৃ-গোষ্ঠীৰ উপাদান পোৱা যায়।

মেঘালয়ৰ খাছীয়াসকল অষ্ট্রিক গোষ্ঠীৰ লোক । পাহাৰীয়া ৰাজ্যকেইখনৰ জনসাধাৰণ ঠাইবিশেষে হিন্দু, খ্ৰীষ্টান, বৌদ্ধ ধৰ্মৰ অনুৰাগী।

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যতে অনেক গোষ্ঠীগত ফৈদ তথা শাখা-প্ৰশাখাৰে সৈতে বহু সংখ্যক জনগোষ্ঠীয় লোকে বাস কৰে ।পৰম্পৰাগত পোছাক,নৃত্য গীত,বাদ্য, উৎসৱ, দোৱান, লোক বিশ্বাস, ৰীতি নীতি আদিৰে বৰ্ণিল সংস্কৃতি প্ৰতিখন ৰাজ্যতে দেখিবলৈ পোৱা যায় । প্ৰতিখন ৰাজ্যতে কম বেছি পৰিমাণে ঝুম খেতিৰ প্ৰচলন, পৰম্পৰাগতভাৱে প্ৰস্তুত কৰা মদিৰাপান, আমিষ

খাদ্য, পৰম্পৰাগত গ্ৰাম্য প্ৰশাসন, খেৰ বাঁহ আদিৰে নিৰ্মিত চাঙঘৰ বা পৰম্পৰাগত স্বকীয় শৈলীৰ ঘৰ দেখিবলৈ পোৱা যায়।

উপৰুক্ত কাৰণসমূহৰ বাবেই উত্তৰ পূৰ্বাঞ্চলৰ এক উমৈহতীয়া সুকীয়া পৰিচয় সৃষ্টি হৈছে।



৫। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ধৰ্মীয় বাতাৱৰণৰ বিষয়ে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ইংৰাজৰ শাসনকালত উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাসিন্দাসকলৰ মাজত মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্মৰ প্ৰসাৰ ঘটায় । উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ ভিতৰত অসমত আৰ্যভাষা আৰু হিন্দুধৰ্মৰ প্ৰসাৰ অতি প্ৰাচীন কালতেই ঘটিছিল । অনুৰূপ ধৰণে মণিপুৰ আৰু ত্ৰিপুৰাতো অতি প্ৰাচীন কালতেই হিন্দুধৰ্মৰ প্ৰসাৰ ঘটিছিল । অৱশ্যে এই অঞ্চলটোৰ পাহাৰীয়া জনজাতিসকলৰ মাজত এতিয়াও প্ৰকৃতি প্ৰাণবাদী বিশ্বাস তথা ৰীতি নীতি সমান্তৰালভাবে চলি থকা দেখা যায় । উদাহৰণস্বৰূপে অৰুণাচলৰ বহুসংখ্যক লোক হিন্দু, খ্ৰীষ্টান, বৌদ্ধ ধৰ্মাৱলম্বী আৰু একে সময়তে

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

বিভিন্ন স্থানীয় দেৱ-দেৱীৰ লগতে ডনিপ'ল অর্থাৎ চন্দ্র-সূর্য তেওঁলোকৰ জনপ্রিয় দেৱতা । নগাসকলে ধনেশ পক্ষীক এক ত্রাণকর্তা পবিত্র জীৱ হিচাপে বিবেচনা কৰে বাবেই এই পক্ষীৰ নামত হর্ণবিল উৎসৱটো চৰকাৰৰ উদ্যোগত ডিচেম্বৰ মাহৰ প্রথম দহ দিন উদযাপন কৰে। ঠিক তেনেদৰে স্বাধীনতা সংগ্রামী ৰাণী গাইডালুৱে নগালেণ্ডব পৰম্পৰাগত ধর্মবিশ্বাস তথা সংস্কৃতি সংৰক্ষণ তথা পুনৰ প্রৱর্তন কৰাৰ উদ্দেশ্যে হেৰাকা নামৰ এক আন্দোলন গঢ়ি তুলিছিল । মণিপুৰৰ মেইটেই সম্প্রদায়টোৰ অধিকাংশ লোক চৈতন্যপন্থী বৈষ্ণৱ ধর্মাৱলম্বী ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

বৈষ্ণৱ ধর্মৰে প্রভাৱিত গীত বাদ্য, নৃত্য এওঁলোকৰ মাজত দেখা যায় । চৈতন্য মহাপ্রভুৰ শৈশৱ, কৃষ্ণলীলা আদিৰ আলম লৈ গঢি উঠা মণিপুৰী নৃত্য ভাৰতৰ সংগীত নাটক অকাদেমিৰ দ্বাৰা স্বীকৃতি প্রাপ্ত এটা ধ্রুপদী নৃত্য । মণিপুৰী সকলৰ একাংশৰ মাজত এতিয়াও প্রকৃতি প্রাণবাদী ধর্মপন্থাৰ প্রচলন আছে । ত্রিপুৰাৰ অধিকাংশ লোকে হিন্দু ধর্মাৱলম্বী আৰু বংগীয় সংস্কৃতিৰ দ্বাৰা প্রভাৱিত । বিভিন্ন জনগোষ্ঠীয় উপাদানেৰে ত্রিপুৰাত এক সংমিশ্রিত সংস্কৃতি দেখা যায় । মেঘালয়ৰ পূর্বৰ প্রকৃতি উপাসক খাছী, গাৰো, জয়ন্তীয়া আদি লোকসকলে ১৮৩০

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

চনৰ পৰা ক্ৰমে খ্ৰীষ্টান ধৰ্মত দীক্ষিত হবলৈ ধৰে আৰু বৰ্তমান ৰাজ্যখনৰ ৭০ শতাংশতকৈ অধিক লোক এই ধৰ্মত দীক্ষিত।

মিজোৰামৰ জন গাঁথনিও বিভিন্ন জনগোষ্ঠীৰে গঠিত । আটাইকে একেলগে বুলি কোৱা হয়। 'মিজো' শব্দ অৰ্থ হল- পাহাৰৰ বাসিন্দা ।এওঁলোকৰ গৰিষ্ঠ সংখ্যক খ্ৰীষ্টান ধৰ্মাৱলম্বীৰ লগতে কিছু সংখ্যক হিন্দুধৰ্মাৱলম্বী আছে। খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰাৰ পিছত তেওঁলোকৰ পৰম্পৰাগত উৎসৱ, গীত মাতবোৰ হ্ৰাস পাবলৈ লৈছিল । ১৯৭৩ চনৰ পৰা মিজোসকলে তেওঁলোকৰ পৰম্পৰাগত

‘চপচৰ কূট’ উৎসৱটো পুনৰ উদযাপন কৰিবলৈ লৈছে আৰু লগতে অন্য পৰম্পৰাগত নৃত্য, সংগীত আদিৰোৰ পুনৰুদ্ধাৰ কৰিবলৈ যত্নপৰ হৈছে।

